**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-03-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক প্ৰদান কৰা অনাৰেৰী অৰ্ডাৰ অব্ ফ্ৰীদম অব্ বাৰ্বাডোছ্ পুৰস্কাৰৰ বাবে দেশখনৰ চৰকাৰ আৰু জনসাধাৰণলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ চৰকাৰখন ২০২৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হ'ব।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ে, ২৬-১১ৰ মুম্বাই আক্ৰমণৰ ঘটনাৰ অভিযুক্ত তাহাবুৰ ৰাণাক ভাৰতক প্ৰত্যৰ্পণৰ ব্যৱস্থা বন্ধ কৰাৰ বাবে জনোৱা আবেদন অগ্ৰাহ্য কৰিছে।

৪। ছিৰিয়াৰ লাটাকিয়া প্ৰদেশত আজি দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাছাৰ-অল-আছাদৰ অনুগত বন্দুকধাৰী আৰু নিৰাপত্তাৰক্ষীৰ মাজৰ সংঘৰ্ষত ৭০ জন লোক নিহত হয়।

আৰু

৫। আই এছ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত আজি কেৰালা ব্লাষ্টাৰ্ছ মুম্বাই চিটীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক প্ৰদান কৰা **অনাৰেৰী অৰ্ডাৰ অব্ ফ্ৰীদম অব্ বাৰ্বাডোছ** পুৰস্কাৰৰ বাবে দেশখনৰ চৰকাৰ আৰু জনসাধাৰণলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে তেওঁ লাভ কৰা এই পুৰস্কাৰটো ১৪০ কোটি ভাৰতীয় নাগৰিকৰ প্ৰতি আৰু ভাৰত আৰু বাৰ্বাদোছ্ৰ মাজৰ ঘনিষ্ঠ সম্পৰ্কৰ নামত উৎসৰ্গা কৰে।

উল্লেখযোগ্য যে কোভিড-১৯ মহামাৰীৰ সময়ত দিয়া সুদক্ষ নেতৃত্ব আৰু গোলকীয় সহযোগিতাৰ বাবে শ্ৰী মোদীক এই সন্মানীয় পুৰস্কাৰ প্ৰদান কৰা হৈছে। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই বাৰ্বাডোছ্ৰ ব্ৰীজ টাউনত আয়োজিত এটা অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীৰ হৈ এই সন্মান গ্ৰহণ কৰে। শ্ৰী মাৰ্ঘেৰিটাই প্ৰধানমন্ত্ৰীৰ হৈ এই সন্মান গ্ৰহণ কৰিব পৰাটো তেওঁৰ বাবে গৌৰৱৰ বিষয় বুলি উল্লেখ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া ছুৰাটত ছুৰাট খাদ্য সুৰক্ষা পৰ্যাপ্ততা অভিযান মুকলি কৰিব। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰূপায়ণ কৰিবলগীয়া এই অভিযানৰ জৰিয়তে ২ লাখ ৩০ হাজাৰ গৰাকী হিতাধিকাৰী উপকৃত হ'ব। উল্লেখযোগ্য যে অন্ত্যোদয়া কল্যাণ আঁচনি সন্দৰ্ভত প্ৰকাশ কৰা প্ৰতিশ্ৰুতি অনুসৰি গুজৰাট চৰকাৰে আন বিভিন্ন আঁচনিয়ে সামৰি লোৱা পিছপৰা পৰিয়ালসমূহকো প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লৈছে।

প্ৰধানমন্ত্ৰীয়ে আজিৰেপৰা তেওঁৰ দুদিনীয়া ভ্ৰমণকালত গুজৰাট আৰু কেন্দ্ৰীয় শাসিত অঞ্চল দাদৰা, নগৰ হাৱেলী তথা দমন আৰু দিউত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

শ্ৰী মোদীয়ে কাইলৈ আন্তৰ্জাতিক মহিলা দিৱস উপলক্ষে নৱছাৰিত লাখপতি দিদি সন্মিলনত ভাগ লৈ ২৫ হাজাৰৰো অধিক আত্মসহায়ক গোটৰ আঢ়ৈ লাখ গৰাকী মহিলালৈ ৪৫০ কোটি টকাৰো অধিক পৰিমাণৰ ধন বিতৰণ কৰিব।

০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে তামিল ভাষাকে ধৰি আঞ্চলিক ভাষাসমূহৰ প্ৰসাৰৰ হকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ চৰকাৰখনে প্ৰকাশ কৰি অহা দায়বদ্ধতাৰ বিষয়ে পুনৰ উল্লেখ কৰিছে। থক্কোলামত আজি কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী, চি আই এছ এফৰ ৫৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি তেওঁ এই কথা প্ৰকাশ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে

চিকিৎসা সেৱাৰ পাঠ্যক্ৰমত তামিল ভাষাৰ অন্তৰ্ভুক্তিৰ বাবে দুবছৰ ধৰি দাবী উত্থাপিত হৈ অহা সত্ত্বেও এই ব্যৱস্থা আৰম্ভ নকৰা বাবে তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনক সমালোচনা কৰে।

শ্ৰী মোদী নেতৃত্বাধীন চৰকাৰখনে ২০২৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হ'ব বুলি উল্লেখ কৰি তেওঁ কয়, যে ৰাষ্ট্ৰৰ উন্নয়নৰ গুৰুত্বপূৰ্ণ অংশ হিচাপে বিবেচিত হৈ অহা চি আই এছ্ এফ, দেশৰ জনসাধাৰণক সুৰক্ষা প্ৰদানৰ বাবে সমগ্ৰ দেশতে গুৰুত্বপূৰ্ণ সংস্থা হিচাপে পৰিগণিত হৈছে। একে সময়তে, তামিলনাডুৱে দেশৰ উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বুলি উল্লেখ কৰি তেওঁ লগতে কয়, যে চৰকাৰে ৰাজাদিত্য চোলানৰ গৌৰৱ গাঁথাক স্বীকৃতি দিয়াৰ লগতে চি আই এছ্ এফৰ আঞ্চলিক প্ৰশিক্ষণ কেন্দ্ৰটোক তেওঁৰ নামেৰে নামকৰণ কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে ২০১৯ বৰ্ষৰ পৰাই চি আই এছ্ এফৰ প্ৰতিষ্ঠা দিৱস দেশৰ বিভিন্ন স্থানত উদযাপন কৰাৰ সিদ্ধান্ত লোৱা বুলি উল্লেখ কৰি শ্ৰী শ্বাহে আজিৰ অনুষ্ঠানত ২২ গৰাকী সাহসী সৈনিকক পদক প্ৰদান কৰিবলৈ সুযোগ পোৱাটো তেওঁৰ বাবে সন্মানজনক বুলি মত প্ৰকাশ কৰে। চি আই এছ্ এফৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা উপকূলীয় চাইক্ল'থনৰ জৰিয়তে দেশৰ সুৰক্ষাৰ বাবে প্ৰতিষ্ঠানটোৱে আগবঢ়াই অহা সেৱা সন্দৰ্ভত গ্ৰামাঞ্চলত বাস কৰি থকা লোকসকলক সজাগ কৰি তোলাৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ প্ৰকাশ কৰে। দেশৰ বিভিন্ন স্থানত ৰে'ল ষ্টেচন, মেট্ৰ' ষ্টেচন, বিমান বন্দৰ আদিৰ জৰিয়তে যাত্ৰা কৰা বিভিন্ন শ্ৰেণীৰ ১ কোটি যাত্ৰীক চি আই এছ্ এফৰ জোৱানসকলে সুৰক্ষা প্ৰদান কৰি আহিছে বুলি উল্লেখ কৰি গৃহমন্ত্ৰী গৰাকীয়ে কয়, যে দেশৰ ২৫০ টা বন্দৰক চি আই এছ্ এফৰ সুৰক্ষা ব্যৱস্থাৰ অধীনত সামৰি লোৱা হ'ব আৰু এনে বন্দৰসমূহত যাত্ৰীক সুৰক্ষা প্ৰদানৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় মান অৱলম্বন কৰা হ'ব। চি আই এছ্ এফৰ মহিলা কৰ্মীসকলক ১২৪ টা বেৰেক প্ৰদান কৰা হৈছে বুলি জানিবলৈ দিয়াৰ লগতে তেওঁ কয়, যে প্ৰতিষ্ঠানটোৰ জোৱানসকলৰ স্বাস্থ্যৰ প্ৰতিও চৰকাৰে দৃষ্টি নিক্ষেপ কৰিছে। আজিৰ এই অনুষ্ঠানত তথ্য আৰু সম্প্ৰচাৰ আৰু সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড° এল মুৰুগানেও অংশগ্ৰহণ কৰে।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ে, ২৬-১১ৰ মুম্বাই আক্ৰমণৰ ঘটনাৰ অভিযুক্ত তাহাৱুৰ ৰাণাক ভাৰতক প্ৰত্যৰ্পণৰ ব্যৱস্থা বন্ধ কৰাৰ বাবে জনোৱা আবেদন অগ্ৰাহ্য কৰিছে। পাকিস্তানী মূলোদ্ভৱ কানাডাৰ নাগৰিক তাহাৱুৰ ৰাণাই তেওঁক ভাৰতক প্ৰত্যৰ্পণ কৰাৰ বিষয়টোত স্থগিতাদেশ বিচাৰি আবেদন দাখিল কৰিছিল। তেওঁৰ প্ৰত্যৰ্পণে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আইন আৰু নিৰ্যাতনৰ বিৰুদ্ধে ৰাষ্ট্ৰসংঘৰ সন্মিলনৰ সিদ্ধান্ত উলংঘা কৰিব বুলি অভিযুক্ত তাহাৱুৰে নিজৰ আবেদনত উল্লেখ কৰিছিল। অভিযুক্ত লোকজনে কেইবাটাও জটিল ৰোগত আক্ৰান্ত হৈ থকা বুলিও এই সন্দৰ্ভত যুক্তি দৰ্শাইছিল। এনে সকলোধৰণৰ আপত্তি অগ্ৰাহ্য কৰি দেশখনৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে যোৱামাহত তাহাৱুৰ ৰাণাৰ ভাৰতলৈ প্ৰত্যৰ্পণৰ নিৰ্দেশটোত অনুমোদন জনায়। উল্লেখযোগ্য যে পাকিস্তানৰ পৰা কাৰ্যকলাপ চলাই থকা লস্কৰ-ই-তৈবা নামৰ সন্ত্ৰাসবাদী সংগঠনটোৱে ২০০৮ চনত মুম্বাইত সংঘটিত কৰা আক্ৰমণৰ ঘটনাটোৰ সৈতে জড়িত বুলি ভাৰতে এই সন্ত্ৰাসবাদীটোক অভিযুক্ত কৰাৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আদালতেও লস্কৰ-ই-তৈবাক সহায় কৰা বুলি তাহাৱুৰ ৰাণাক ইতিমধ্যে দোষী সাব্যস্ত কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে জন ঔষধী দিৱসে এখন স্বাস্থ্যকৰ ভাৰতৰ লক্ষ্য নিশ্চিত কৰাৰ উদ্দেশ্যে জনসাধাৰণক উৎকৃষ্ট মানৰ আৰু সুলভ ঔষধ প্ৰদানৰ দায়বদ্ধতাকে প্ৰতিফলিত কৰে। জন ঔষধী দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে দেশৰ প্ৰতিটো প্ৰান্তত কেনেদৰে গুণগত মানৰ ঔষধ লাভ কৰিব পৰা গৈছে, কেনেদৰে সুলভ মূল্যৰ ঔষধে পৰিয়ালসমূহৰ ধন ৰাহি কৰাত সহায় কৰিছে আৰু কেনেদৰে ভাৰতৰ জন ঔষধি আৰ্হিয়ে বৰ্তমান সমগ্ৰ বিশ্বক অনুপ্ৰাণিত কৰিছে, সেই বিষয়ে প্ৰকাশ কৰে। শ্ৰী মোদীয়ে লগতে কয়, দেশত বৰ্তমান হৃদ ৰোগৰ চিকিৎসা পূৰ্বৰ তুলনাত সুলভ হৈ পৰিছে আৰু আঁঠুৰ সংৰোপণৰ ক্ষেত্ৰতো চিকিৎসা ব্যয় হ্ৰাস পাইছে। প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়লেছিচ কাৰ্যসূচীয়ে বৃক্ক ৰোগীসকলক যথেষ্ট সকাহ প্ৰদান কৰিছে বুলি উল্লেখ কৰি

প্ৰধানমন্ত্ৰীয়ে লগতে কয়, যে জন ঔষধী সুবিধা ছেনিটেৰি নেপকিন এতিয়া এটকাত লাভ কৰিব পাৰি আৰু ইয়াৰ ফলত মাহেকীয়াৰ সময়ত পৰিচ্ছন্নতা বজাই ৰখাত সহায় হৈছে।
কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই জন ঔষধি দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে 'অচ্ছি ভি সস্তী ভি' মন্ত্ৰৰে প্ৰধানমন্ত্ৰী জন ঔষধী যোজনাই সকলো লোকে স্বাস্থ্য সেৱাৰ সুবিধা লাভ কৰাৰ ক্ষেত্ৰত যুগান্তকাৰী ভূমিকা পালন কৰিছে। তেওঁ কয়, যে সমগ্ৰ দেশতে ১৫ হাজাৰৰো অধিক জন ঔষধী কেন্দ্ৰই দৈনিক ১ নিযুত লোকক সেৱা আগবঢ়াই আহিছে। এই যোজনাৰ বিভিন্ন দিশত আলোকপাত কৰি শ্ৰী নাড্ডাই কয়, যে ইয়াৰ জৰিয়তে কেৱল সুলভ মূল্যৰ ঔষধ প্ৰদান কৰাই নহয়, বৰঞ্চ প্ৰতিগৰাকী নাগৰিকে প্ৰয়োজনীয় চিকিৎসা লাভ কৰাটো নিশ্চিত কৰা হৈছে। তেওঁ সকলোকে এখন সুন্দৰ আৰু সুস্থ ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰতিশ্ৰুতিবদ্ধতাক উদযাপন কৰিবলৈ আহ্বান জনায়।

ooooooooo

ছিৰিয়াৰ লাটাকিয়া প্ৰদেশত আজি দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাছাৰ-অল-আছাদৰ অনুগত বন্দুকধাৰী আৰু নিৰাপত্তা বাহিনীৰ মাজৰ সংঘৰ্ষত ১৬ জন নিৰাপত্তা ৰক্ষীকে ধৰি ৭০ জনৰো অধিক লোক নিহত হয়। দেশখনত বাছাৰ-অল-আছাদৰ অনুগামীসকলক উৎখাত কৰাৰ বাবে নিৰাপত্তা বাহিনীয়ে লাটাকিয়া প্ৰদেশৰ জাব্‌লে নগৰত চলোৱা অভিযানৰ সময়তে এই সংঘৰ্ষৰ সূত্ৰপাত হয়। আছাদ এৰাৰ এজন কমাণ্ডাৰে নিৰাপত্তা বাহিনীৰ লোকক আক্ৰমণ কৰাৰ পাছতে নিৰাপত্তা বাহিনীয়ে জাব্‌লেক হেলিকপ্তাৰেৰে আক্ৰমণ চলায়। ২০২৪ চনৰ ডিচেম্বৰত আছাদৰ শাসনৰ অন্ত পৰাৰ ফলত দেশখনত উদ্ভৱ হোৱা অশান্ত পৰিস্থিতিৰ মাজতে আজি এই সংঘৰ্ষৰ সৃষ্টি হয়।

ooooooooo

আই এছ্ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত কালি পাঞ্জাব ফুটবল ক্লাবে হায়দৰাবাদ ফুটবল ক্লাবক ৩-১ গ'লত পৰাস্ত কৰে। হায়দৰাবাদৰ জি এম চি বালায়োগি এথলেটিক ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত পাঞ্জাবৰ ছাজী অ'জী, শামী ছিংগামায়ুম আৰু লুকা মাজছেনে এটাকৈ গল দিয়ে। খেলখনত শামী ছিংগামায়ুম আই এছ্ এল ইতিহাসৰ সৰ্বকনিষ্ঠ গ'লদাতা হিচাপে পৰিগণিত হয়। আজি কোচিৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত কেৰালা ব্লাষ্টাৰ্ছ মুম্বাই চিটীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

ooooooooo

মহিলা প্ৰিমিয়াৰ লীগৰ এখন খেলত কালি মুম্বাই ইণ্ডিয়ানছে ইউ পি ৱাৰিয়ৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত পৰাজয়ৰ পাছতে ইউ পি ৱাৰিয়ৰ্ছৰ প্লে অব ৰাউণ্ডলৈ যোগ্যতা অৰ্জনৰ সকলো সম্ভাৱনাৰ অন্ত পৰে। খেলখনত প্ৰথমে বেটিং কৰি ৱাৰিয়ৰ্ছে নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৫০ ৰান কৰে। জৰ্জিয়া ভ'লে সৰ্বাধিক ৫৫ ৰান কৰে। মুম্বাইৰ এমেলিয়া কাৰে ৫টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত মুম্বায়ে ৯ টা বল বাকী থকা অৱস্থাত ৪ টা উইকেট হেৰুৱাই খেলখনত জয় লাভ কৰিবলৈ সমৰ্থ হয়। ৪৬ টা বলত ৬৮ ৰান কৰা অ'পেনাৰ হেইলী মেথিউজলৈ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

আজি লক্ষ্ণৌত গুজৰাট টাইটেনছ ডেলহী কেপিটেলছ বিৰুদ্ধে আৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে অহা ১১ মাৰ্চত লীগ পৰ্যায়ৰ খেলৰ অন্ত পৰিব। পইণ্ট তালিকাৰ শীৰ্ষ স্থানৰ দলটোৱে পোনপটীয়াকৈ ফাইনেল খেলাৰ সুযোগ লাভ কৰিব। দ্বিতীয় আৰু তৃতীয় স্থানত থকা দল দুটাই ১৩ মাৰ্চত এখন প্লে অফ খেলত অৱতীৰ্ণ হ'ব আৰু বিজয়ী দলটোৱে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। মহিলা প্ৰিমিয়াৰ লীগৰ এইবাৰৰ চূড়ান্ত খেলখন ১৫ মাৰ্চত খেলোৱা হ'ব।

ooooooo

সমাপ্ত